# সোণালী ময়ুৰ কেলেংকাৰী


এবাৰ এজন বিদেশী ব্যৱসায়ী আকবৰৰ দৰবাৰলৈ আহিল।-
মেহেৰজাদ শ্বামছ, আপুনি আমাৰ বাবে কিবা ভাল খবৰ আনিছেনে?
মহাৰাজ, মই আপোনালোকৰ বাবে সোণালী ময়ুৰ বণ্ড নামৰ এক অনন্য বিনিয়োগৰ সুযোগ লৈ আহিছোঁ।
সেইটোৰ বিশেষত্বসমূহ কি?
এই বণ্ডৰ প্ৰতিটো শ্বেয়াৰে দহগুণ লাভ দিব। বহু ৰাজ্যই ইতিমধ্যেই এই বণ্ডক ৰাজমুদ্ৰা হিচাপে ব্যৱহাৰ কৰি আছে - বিশেষকৈ বৈদেশিক বাণিজ্যৰ ক্ষেত্ৰত।
দহগুণ! সঁচাকৈয়ে বৰ আকৰ্ষণীয়!
মহাৰাজ, আপোনাৰ বিত্তমন্ত্ৰী হিচাপে মোক সেয়া পৰীক্ষা কৰি চাবলৈ অনুমতি দিয়ক।
তেন্তে মই ইয়াৰ ১০০ টা শ্বেয়াৰ ক্ৰয় কৰিম।
হুমম... ঠিক যেনেই লাগিছে।
মহাৰাজ, মই অনতিপলমে সেই পৰিমাণৰ শ্বেয়াৰৰ ব্যৱস্থা কৰিম।
হঠাতে-
ক্ষমা কৰিব মহাশয়। সমৰকন্দৰ পৰা আপোনাৰ বাবে এটা জৰুৰী বাৰ্তা আহিছে।


চুলতান ৰাজাৰ পৰা... সোণালী ময়ুৰৰ শ্বেয়াৰৰ বাবে তেওঁ দুগুণ ধন দিবলৈ ইচ্ছুক হৈছে।
সেই দুষ্টটো! মোৰ লগত সদায় সকলো কথাত প্ৰতিযোগিতা কৰে!
যদি ৰাজাই এই সুবিধা লাভ কৰে, তেন্তে সমৰকন্দ আমাৰ সাম্ৰাজ্যতকৈও ধনী হ'ব।
মেহেৰজাদ শ্বামছ, আপুনি তেওঁৰ প্ৰস্তাৱটো বিৱেচনা কৰিব নালাগে।
মহাৰাজ,মই এজন সাধাৰণ ব্যৱসায়ী। মই লাভ বিচাৰো, লোকচান নহয়।
ধনৰ ব্যৱস্থা কৰিবলৈ আমাক কেইদিনমান সময় দিয়ক।
বহুত ধন্যবাদ! মই সোনকালেই আহি লেনদেনটো সম্পূৰ্ণ কৰিমহি।
সেই টোকাটো আহি পোৱাৰ সময়টো বৰ সন্দেহজনক।
আমাৰ ক্ষিপ্ৰতম দূতক এই মূহুৰ্ততে সমৰকন্দলৈ প্ৰেৰণ কৰক। মই কিবা এটা পৰীক্ষা কৰি চাব খোজোঁ।
নিশ্চয়, মহাশয়।
কিছুদিন পিছত-
মহাৰাজ, আমাৰ চুক্তি অনুসৰি ইয়াত সোণালী ময়ুৰৰ ১০০ টা শ্বেয়াৰ আছে।
আৰু ইয়াত চুক্তিবদ্ধ ধনৰ পৰিমাণ উল্লেখ কৰা হৈছে।




*মেহেৰজাদ শ্বামছৰ দৰে প্ৰৱঞ্চকৰ পৰা সাৱধান হওক, যিসকলে নিজৰ হাতত থকা ষ্টক বা বিনিয়োগৰ বিষয়ে ভুৱা প্ৰচাৰ কৰে। যি নিজৰ হাতত থকা কোনো ষ্টক/ বিনিয়োগৰ বিষয়ে মিছা প্ৰচাৰ কৰে, আৰু ফলত ভুৱা চাহিদাৰ সৃষ্টি হয়। তাৰপিছত সুত বৃদ্ধিৰ ফলত ষ্টকৰ মূল্য বৃদ্ধি হ'লে বিক্ৰী কৰে, আৰু বুজন পৰিমাণৰ লাভ কৰে। এনে অবৈধ কাৰ্যক 'পাম্প এণ্ড ডাম্প' কেলেংকাৰী বুলি কোৱা যায়।*



# অনুশীলন

মেহেৰজাদ শ্বামছৰ দৰে প্ৰৱঞ্চকৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে বীৰবলে ঘোষক নিযুক্ত কৰিছে। তেওঁ খৰখেদা কৰাৰ বাবে সোণালী ময়ুৰ কেলেংকাৰী ব্যাখ্যা কৰা ছবিৰ ক্ৰম খেলিমেলি হৈ পৰিছে। ছবিসমূহ শুদ্ধ ক্ৰমত সজোৱাৰ কামত আপুনি তেওঁক সহায় কৰিব পাৰিবনে?




উত্তৰ: শুদ্ধ ক্ৰম হ'ল ৪, ৫, ১, ৩, ২।